জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০৫/২০২২**

# কটন বিশ্ববিদ্যালয়ৰ সহযোগত ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগে প্ৰস্তুত কৰা বানপানীৰ প্ৰভাৱ সন্দৰ্ভত প্ৰতিবেদন উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ সভাকক্ষত ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ (ছিটা)ৰ বাৰ্তালোচনীৰ লগতে অসমৰ গ্ৰামাঞ্চলত বানপানী আৰু জীৱিকাত ইয়াৰ প্ৰভাৱৰ ওপৰত প্ৰস্তুত কৰা এখন প্ৰতিবেদন উন্মোচন কৰে।

ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ সহযোগত কটন বিশ্ববিদ্যালয়ে বানপানী আৰু জীৱিকাৰ ওপৰত এই প্ৰতিবেদনখন প্ৰস্তুত কৰি উলিয়াইছে। এই প্ৰতিবেদনৰ উদ্দেশ্য হৈছে অঞ্চল বিশেষে বানপানীৰ মূল্যায়ন কৰাৰ লগতে বানৰ প্ৰভাৱ অধ্যায়ন কৰা আৰু বহুমাত্ৰিক দহটা সূচকৰ ওপৰত ভিত্তি কৰি বানৰ প্ৰকোপ নিৰ্দ্ধাৰণ কৰা।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ আৰু কটন বিশ্ববিদ্যালয়ক এই প্ৰতিবেদন প্ৰকাশ কৰাৰ বাবে ধন্যবাদ জনায়। তেওঁ কয় যে এই প্ৰতিবেদনখনে কৃষি আৰু ইয়াৰ লগত জড়িত খণ্ডসমূহৰ ওপৰত বানৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে চৰকাৰক বহুলাংশে সহায় কৰিব। জনগাঁথনিৰ ওপৰত ভিত্তি কৰি ৰাজ্যৰ জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰক ক্ষীপ্ৰ হস্তক্ষেপমূলক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্দিষ্ট আৰু প্ৰয়োজন ভিত্তিক এক বিস্তৃত জৰীপ চলাবলৈ মুখ্যমন্ত্ৰীয়ে আয়োগক আহ্বান জনায়। অসমত বানপানীৰ দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো বক্তব্য দাঙি ধৰি ছিটাই এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰতিবেদনখনৰ বাবে ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগক প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগসমূহক এই প্ৰতিবেদনখন প্ৰদান কৰাৰ লগতে ৰাজ্যত এই প্ৰতিবেদনখন কাৰ্যকৰী কৰণৰ বাবে ৰাজহ, কৃষি আৰু জলসম্পদ বিভাগক জড়িত কৰি মননশীল অধিৱেশন অনুষ্ঠিত কৰিবলৈ পৰিকল্পনা সংস্থাক আহ্বান জনায়। তেওঁ লগতে কয় যে আয়োগে অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত স্বকীয়তাৰে কাম কৰি থকাৰ বাবে তেওঁ সন্তুষ্ট হৈছে। ৰাজ্যৰ উন্নয়নৰ ধাৰাত এক গুৰুত্বপূৰ্ণ অনুঘটক হোৱাৰ বাবে নীতি আয়োগৰ দৰে কাম কৰিবলৈও তেওঁ ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ ৰমেন ডেকা, সহ উপাধ্যক্ষ ধ্ৰুৱ প্ৰসাদ বৈশ্য, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু ৰাজ্য চৰকাৰৰ অন্যান্য উচ্চপদস্থ বিষয়াবৰ্গৰ লগতে অন্যান্য গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**সুঃদঃ / হেঃশঃ**
**১৫/১০/২০২২**